# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-04-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*
**- - - - - - -**

১। অসম মাধ্যমিক শিক্ষা পৰিষদৰ অধীনত অনুষ্ঠিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা। উত্তীৰ্ণৰ শতকৰা হাৰ ৭৫ দশমিক ৭ শতাংশ। উত্তীৰ্ণৰ হাৰত চিৰাং জিলা শীৰ্ষ স্থানত।

২। লোকসভা নিৰ্বাচনত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলসমূহৰ ব্যাপক হাৰত প্ৰচাৰ অভিযান। কাইলৈ জ্যেষ্ঠ বিজেপি নেতা অমিত শ্বাহৰ শিলচৰত ৰোড শ্ব'ত অংশগ্ৰহণ।

৩। প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ পাছত ২৫টা ষ্ট্ৰং ৰুমত কটকটীয়া নিৰাপত্তাৰে ই ভি এমসমূহ ৰখাৰ ব্যৱস্থা গ্ৰহণ।

৪। ভোটগ্ৰহণ আৰু ইয়াৰ এদিন পূৰ্বে ৰাজ্যিক বা জিলা পৰ্যায়ৰ মিডিয়া চাৰ্টিফিকেশ্বন এণ্ড ম'নিটৰিং কমিটীৰ আগতীয়া অনুমতি অবিহনে ছপা মাধ্যমত ৰাজনৈতিক বিজ্ঞাপন প্ৰকাশত নিৰ্বাচন আয়োগৰ বাধা আৰোপ।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ, দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

অসম মাধ্যমিক শিক্ষা পৰিষদৰ অধীনত অনুষ্ঠিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হৈছে। এইবাৰৰ পৰীক্ষাত মুঠ ৪ লাখ ১৯ হাজাৰ ৭৮ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে তিনি লাখ ১৭ হাজাৰ ৩১৭ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। পৰীক্ষাৰ্থীসকলৰ এক লাখ ৫ হাজাৰ ৮৭৩ গৰাকীয়ে প্ৰথম বিভাগ, এক লাখ ৫০ হাজাৰ ৭৬৪ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ৬০ হাজাৰ ৬৮০ গৰাকীয়ে তৃতীয় বিভাগ লাভ কৰে। সামগ্ৰিকভাৱে ৭৫ দশমিক ৭ শতাংশ পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়।

ফলাফল অনুসৰি যোৰহাটৰ অনুৰাগ দলৈয়ে ৫৯৩ নম্বৰ লাভ কৰি ৰাজ্যৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰিবলৈ সমৰ্থ হয়। একেদৰে বিশ্বনাথ চাৰিআলিৰ ঝৰ্ণা শইকীয়াই ৫৯০ নম্বৰেৰে ৰাজ্যৰ ভিতৰতে দ্বিতীয় সৰ্বোচ্চ নম্বৰ লাভ কৰে। আনহাতে মাজুলীৰ মানসপ্ৰতিম শইকীয়া, বৰপেটাৰ বেদান্ত চৌধুৰী আৰু নগাঁৱৰ দেৱাশ্ৰী কাশ্যপে ৫৮৮ নম্বৰেৰে ৰাজ্যৰ ভিতৰতে তৃতীয় সৰ্বোচ্চ নম্বৰ প্ৰাপ্তিৰ গৌৰৱ অৰ্জন কৰে।

জিলাসমূহৰ ভিতৰত চিৰাং জিলাত উত্তীৰ্ণৰ হাৰ সৰ্বোচ্চ হোৱাৰ বিপৰীতে নলবাৰী দ্বিতীয় আৰু বাক্সা তৃতীয় স্থানত আছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ পাছতে অসমৰ ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াই উত্তীৰ্ণ প্ৰাৰ্থীসকলক অভিনন্দন জ্ঞাপন কৰি অনাগত দিনৰ বাবে শুভেচ্ছা জনায়। ইফালে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে তামুলপুৰত এখন সংবাদমেলত সম্বোধন কৰি বিটিচিৰ অন্তৰ্গত চিৰাং

আৰু বাক্সা জিলাৰ ফলাফলক লৈ সন্তুষ্টি প্ৰকাশ কৰে। শ্ৰীবড়োৱে লগতে শিক্ষাৰ ক্ষেত্ৰত ভৱিষ্যতে আৰু অধিক কৰণীয় আছে বুলি মত প্ৰকাশ কৰে।

ooooo

প্ৰথম পৰ্যায়ত কালি ৰাজ্যখনত লোকসভা নিৰ্বাচন অনুষ্ঠিত ৫ টা সমষ্টিৰ অন্তৰ্গত ১৪ খন জিলাত ভোটগ্ৰহণ হোৱা ই ভি এমসমূহ ২৫ টা ষ্ট্ৰংৰূমত নিশ্চিদ্ৰ নিৰাপত্তা ব্যৱস্থাৰ মাজত ৰখা হৈছে। অসম আৰক্ষীৰ শীৰ্ষ বিষয়াই প্ৰকাশ কৰা মতে, ষ্ট্ৰংৰূমসমূহত কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ জোৱান নিয়োগ কৰাৰ লগতে চি চি কেমেৰাৰ দ্বাৰা নিৰীক্ষণৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি ই ভি এমসমূহ ৰখাৰ ক্ষেত্ৰত প্ৰতিটো ব্যৱস্থাই গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে, কালি ৰাজ্যখনৰ ৫ টা সমষ্টিত শান্তিপূৰ্ণভাৱে আৰু নিয়াৰিকৈ ভোটগ্ৰহণ সম্পন্ন হয়। ৰাজ্যখনত ৭৫ দশমিক ৯-৫ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। ইয়াৰ ভিতৰত যোৰহাট সমষ্টিত প্ৰায় ৮০ শতাংশ, ডিব্ৰুগড়ত ৭৬ দশমিক ৭-৪ শতাংশ, কাজিৰঙাত ৭৫ শতাংশৰ অধিক, লখিমপুৰত ৭২ শতাংশৰ অধিক আৰু শোণিতপুৰত প্ৰায় ৭৫ শতাংশ ভোটদাতাই ভোটদান কৰে। উত্তৰ পূৰ্বাঞ্চলৰ মণিপুৰত ৭২ দশমিক ১-৭ শতাংশ, ছিকিমত ৮০ শতাংশৰ অধিক, অৰুণাচল প্ৰদেশত ৭২ শতাংশৰ অধিক, মেঘালয়ত প্ৰায় ৭৪ শতাংশ, মিজোৰামত ৫৬ শতাংশৰ অধিক, নাগালেণ্ডত প্ৰায় ৫৭ শত্‌ংশ আৰু ত্ৰিপুৰাত সৰ্বাধিক ৮১ শতাংশৰো অধিক লোকে ভোটদান কৰে। একেদৰে বিহাৰত ৪৮ দশমিক ৮-৮, ছত্তিশগড়ত ৬৭ দশমিক ৫-৬, উত্তৰ প্ৰদেশত ৬০ দশমিক ২-৫, মহাৰাষ্ট্ৰত ৬১ দশমিক ৮-৮, ৰাজস্থানত ৫৭ দশমিক ২-৫, ৬-২ আৰু পশ্চিম বংগত ৮১ দশমিক ৯-১ শতাংশ ভোটদাতাই ভোটদান কৰে। উল্লেখযোগ্য যে প্ৰথম পৰ্যায়ত ২১ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ১০২ টা সমষ্টিত হোৱা নিৰ্বাচনত সামগ্ৰিকভাৱে ৬৮ শতাংশৰো অধিক ভোটদান হয়।

এই পৰ্যায়ত দেশত মুঠ এহেজাৰ ৬২৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ইয়াৰ ভিতৰত জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, নীতিন গাডকাৰী, কিৰেণ ৰিজিজু, জিতেন্দ্ৰ সিং, সঞ্জীৱ বালিয়ান, কংগ্ৰেছ নেতা গৌৰৱ গগৈ, কাৰ্তি চিদম্বৰম, নকুল নাথ, ডি এম কেৰ দয়ানিধি মাৰাণ, বিজেপি নেতা তামিলছাই সৌন্দৰৰাজন আৰু জিতিন প্ৰসাদ অন্যতম।

লোকসভা নিৰ্বাচনৰ সমান্তৰালকৈ অৰুণাচল প্ৰদেশ আৰু ছিকিমত কালি এটা পৰ্যায়ত বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন হয়। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি অৰুণাচল প্ৰদেশ বিধানসভা নিৰ্বাচনত ৭৬ দশমিক ৪-৪ আৰু ছিকিমত ৭৯ দশমিক ৮-৬ শতাংশ ভোটদান সম্পন্ন হয়।

নিৰ্বাচন আয়োগে ভোটদাতা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াৰ সৈতে জড়িত সকলোকে ধন্যবাদ জ্ঞাপন কৰিছে। ছত্তিশগড়ৰ বাষ্টাৰৰ ৫৬ খন গাওঁ আৰু গ্ৰেট নিকোবৰৰ ছোম্পেন জনজাতিৰ লোকসকলে এইবাৰ প্ৰথমবাৰৰ বাবে নিৰ্বাচনত অংশগ্ৰহণ কৰে।

ooooo

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহে ব্যাপক তৎপৰতা অব্যাহত ৰাখিছে। দ্বিতীয় পৰ্যায়ত ৰাজ্যখনত ৫ টা সমষ্টি- দৰং-ওদালগুৰি, কৰিমগঞ্জ, ডিফু, শিলচৰ আৰু নগাওঁ সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। ৰাজনৈতিক দলসমূহে নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত সমষ্টিসমূহৰ বিভিন্ন স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ সন্ধিয়া শিলচৰত এন ডি এৰ প্ৰাৰ্থী পৰিমল শুক্লবৈদ্যৰ হৈ প্ৰচাৰ চলাব। একেদৰে কংগ্ৰেছ দলেও সমষ্টিকেইটাত প্ৰচাৰ অব্যাহত ৰাখিছে আৰু দলৰ শীৰ্ষ নেতৃত্বই ৰাজ্যখনত অলপতে প্ৰচাৰ

চলোৱাৰ কথা। কাইলৈ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে শিলচৰত প্ৰচাৰ চলোৱাৰ কথা আছিল যদিও প্ৰতিকুল বতৰৰ বাবে এই কাৰ্যসূচী বাতিল কৰা হয়।

আজি ৰাজ্যৰ জ্যেষ্ঠ বিজেপি নেতা তথা অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এন ডি এৰ মনোনীত প্ৰাৰ্থী কৃপানাথ মল্লাহৰ হৈ কৰিমগঞ্জ, বৰখলা, ধলাই আৰু হাইলাকান্দিকে ধৰি বৰাক উপত্যকাৰ বিভিন্ন ঠাইত কেইবাখনো নিৰ্বাচনী সভা আৰু ৰোড শ্বʼত অংশগ্ৰহণ কৰে। এই সন্দৰ্ভত হাইলাকান্দিৰ পৰা আমাৰ সংবাদদাতা নিলোৎপল দেৱে এইদৰে কয়।

**ঃঃ ভইছ ঃঃ**

ইফালে ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই মৰিগাঁও জিলাৰ মিকিৰভেটাত অনুষ্ঠিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সভাত মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীৰ লগতে দলীয় কৰ্মকৰ্তাসকলেও অংশগ্ৰহণ কৰে। সভাত মন্ত্ৰীগৰাকীয়ে বিজেপিৰ নিৰ্বাচনী সংকল্পসমূহৰ বিষয়ে জনসাধাৰণক অৱগত কৰে।

আনহাতে নগাঁও সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে ৰহা বিধানসভা সমষ্টিৰ কচুৱা তিনিআলিত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। প্ৰাৰ্থীগৰাকীয়ে বিৰোধী পক্ষক কঠোৰ ভাষাৰে সমালোচনা কৰি জনসাধাৰণক বিবেকৰ দ্বাৰা পৰিচালিত হৈ ভোটদান কৰিবলৈ আহ্বান জনায়।

তামুলপুৰৰ কাউৰবাহাত আজি দৰং ওদালগুৰি সমষ্টিৰ বিপিএফৰ প্ৰাৰ্থী দুৰ্গা দাস বড়োৰ হৈ দলৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি মহিলাৰীয়ে বিজেপি মিত্ৰজোটক তীব্ৰ ভাষাৰে সমালোচনা কৰে।

ooooo

দ্বিতীয় পৰ্যায়ত অহা ২৬ এপ্ৰিলত দেশৰ ৮৭ টা সংসদীয় সমষ্টিৰ বাবে হʼবলগীয়া নিৰ্বাচনত এহেজাৰ ১৯৮ গৰাকীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। দ্বিতীয় পৰ্যায়ত অসমত ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। কৰিমগঞ্জত ২৪, নগাওঁত ১৩, দৰং-ওদালগুৰিত ১১, শিলচৰত ৮ আৰু ডিফুত ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই পৰ্যায়ত ৰাজ্যখনৰ দৰং-ওদালগুৰি সমষ্টিত এন ডি এৰ প্ৰাৰ্থী তথা সাংসদ দিলীপ শইকীয়া, কংগ্ৰেছৰ মাধৱ ৰাজবংশী আৰু বিপিএফৰ দুৰ্গাদাস বড়োয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইপিনে, শিলচৰত বিজেপি মিত্ৰজোটৰ পৰিমল শুক্লবৈদ্য, তৃণমূল কংগ্ৰেছৰ ৰাধাশ্যাম বিশ্বাস আৰু কংগ্ৰেছ দলৰ সূৰ্য্যকান্ত সৰকাৰে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হব। কৰিমগঞ্জত বিজেপি মিত্ৰজোটৰ কৃপানাথ মাল্লা, কংগ্ৰেছৰ হাফিজ ৰছিদ চৌধুৰী আৰু এ আই ইউ ডি এফৰ চাহাবুল ইছলাম চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। নগাঁও সমষ্টিত বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ বিপৰীতে কংগ্ৰেছ দলৰ প্ৰদ্যুত বৰদলৈ আৰু এ আই ইউ ডি এফৰ আমিনুল ইচলামে প্ৰতিদ্বন্দ্বিতা কৰিব। অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সমষ্টিত বিজেপি মিত্ৰজোটৰ হৈ অমৰ সিং টিছʼ, কংগ্ৰেছৰ জয়ৰাম ইংলেং আৰু গণ সুৰক্ষা পাৰ্টীৰ জন বাৰ্নাড চাংমাই প্ৰতিদ্বন্দ্বিতা কৰিব।

উল্লেখযোগ্য যে সমগ্ৰ দেশত দ্বিতীয় পৰ্যায়ত নিৰ্বাচনত অৱতীৰ্ণ হʼবলগীয়া প্ৰাৰ্থীসকলৰ ভিতৰত সামগ্ৰিকভাৱে ৮ দশমিক ৬ শতাংশ মহিলা প্ৰাৰ্থী আছে। এই পৰ্যায়ত অসম আৰু ত্ৰিপুৰাত দুগৰাকীকৈ মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি জানিব পৰা গৈছে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত প্ৰাৰ্থীসকলৰ ভিতৰত মহিলা প্ৰাৰ্থী ৮ দশমিক ২ শতাংশ আছিল। দ্বিতীয় পৰ্যায়ত কেৰালাত সৰ্বাধিক ২৫ গৰাকী মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আনহাতে, কৰ্ণাটকত ২১ গৰাকী আৰু উত্তৰ প্ৰদেশত ১০ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

ooooo

ৰাজ্যৰ তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে দাখিল কৰা মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হয়। অৱশ্যে নাকচ হোৱা মনোনয়ন সন্দৰ্ভত কোনো তথ্য এতিয়ালৈকে ঘোষণা কৰা হোৱা নাই। উল্লেখযোগ্য যে তৃতীয় পৰ্যায়ৰ বাবে ৬০ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। এই পৰ্যায়ত মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন পৰহিলৈ অৰ্থাৎ ২২ এপ্ৰিল।

০০০০০

নিৰ্বাচন আয়োগে ভোটগ্ৰহণৰ দিনা আৰু ইয়াৰ এদিন পূৰ্বে ৰাজ্যিক বা জিলা পৰ্যায়ৰ মিডিয়া চাৰ্টিফিকেশ্বন এণ্ড মʼনিটৰিং কমিটীৰ আগতীয়া অনুমতি অবিহনে ৰাজনৈতিক দল, প্ৰাৰ্থী, সংগঠন বা কোনো ব্যক্তিৰ দ্বাৰা ছপা মাধ্যমত বিজ্ঞাপন প্ৰকাশত বাধা আৰোপ কৰিছে। ভোটগ্ৰহণৰ ঠিক আগমুহূৰ্তত প্ৰকাশ পোৱা বিভ্ৰান্তিকৰ অথবা আপত্তিজনক বিজ্ঞাপনে ক্ষতিগ্ৰস্ত কৰা পক্ষই আত্মপক্ষ সমৰ্থনৰ কাৰণে কোনো সময় বা সুযোগ নোপোৱাৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন আয়োগে এই স্থিতি গ্ৰহণ কৰিছে। সংবিধানৰ ৩২৪ নম্বৰ অনুচ্ছেদৰ অধীনত প্ৰদত্ত ক্ষমতাৰ প্ৰয়োগেৰে এনে যিকোনো প্ৰকাৰৰ আপত্তিজনক বিজ্ঞাপন প্ৰকাশৰ ঘটনা প্ৰতিৰোধ কৰাৰ বাবে আয়োগে এই নিৰ্দেশ জাৰি কৰিছে।

০০০০০

লোকসভা নিৰ্বাচনৰ দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ কোষসমূহৰ উদ্যোগত ভোটাৰ সজাগতা কাৰ্যসূচী আয়োজন কৰা হৈছে। চিৰাং জিলাৰ অধীনৰ চিডলী-চিৰাং আৰু বিজনী বিধানসভা সমষ্টিতো নিৰ্বাচনী জিলা দুখনে এই সম্পৰ্কীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। ইতিমধ্যে ভোটাৰ সজাগতাৰ লক্ষ্যৰে বিজনী সমষ্টিত শুভংকৰ মুকলি কৰাৰ লগতে নতুন ভোটাৰ অংশগ্ৰহণেৰে এখন সজাগতামূলক ফেশ্বন শ্ব' প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। ইয়াৰ লগতে চিৰাং জিলাৰ বিজনী মহকুমাৰ অন্তৰ্গত কেইবাখনো শিক্ষানুষ্ঠানত প্ৰথমবাৰৰ ভোটদাতা সকলক সজাগ আৰু সচেতন কৰাৰ উদ্দেশ্যেৰে অন্যান্য কাৰ্যসূচী হাতত লোৱা হয়।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হʼবলগীয়া দৃষ্টিপাত লোকনিৰ্ণয় ২০২৪ শীৰ্ষক অনুষ্ঠানত লোকসভা নিৰ্বাচন সন্দৰ্ভত আলোচনা কৰা হʼব। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকিব সাংবাদিক গৌতম শৰ্মা আৰু জিতেন্দ্ৰ কুমাৰ চৌধুৰী। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০

অসমৰ খিলঞ্জীয়া জনগোষ্ঠী চুতীয়াসকলৰ শেষৰগৰাকী ৰাণী তথা চুতীয়া জাতিৰ শৌৰ্য-বীৰ্য আৰু সাহসৰ প্ৰতীক সতি সাধিনীৰ আজি ৫০০ সংখ্যক স্মৃতি দিৱস ৰাজ্যজুৰি পালন কৰা হৈছে। এই উপলক্ষে মহিয়সীগৰাকীলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাই কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে, অতুলনীয় ত্যাগ, স্বদেশপ্ৰেম আৰু পৰাক্ৰমৰ প্ৰতীক বীৰাংগনা সতি সাধিনী নাৰী শক্তিৰ এক উজ্বল নিৰ্দশন। চুতীয়া সাম্ৰাজ্যৰ ৰাণীগৰাকীৰ বৰ্ণাঢ্য জীৱনগাঁথাই বৃহত্তৰ অসমীয়া জাতিক সদায় অনুপ্ৰাণিত কৰি থাকিব বুলি প্ৰকাশ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বীৰাংগনাগৰাকীক শ্ৰদ্ধা প্ৰদৰ্শন কৰে।

০০০০০

নিৰ্বাচনী তৎপৰতাৰ মাজতে আজি মহানগৰৰ হাতীগাঁও আৰক্ষীয়ে ৯জন ব্যক্তিক চাইবাৰ অপৰাধত জড়িত থকাৰ সন্দেহত আটক কৰিছে। ভেটাপাৰা অঞ্চলৰ এটা হোম ষ্টʼৰ পৰা আটক কৰা ব্যক্তিকেইজন

প্ৰতিবেশী ৰাজ্য পশ্চিমবংগৰ বুলি জানিব পৰা গৈছে। বিশেষ সূত্ৰৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত আটক কৰা অভিযুক্তকেইজনক আৰক্ষীয়ে অধিক তথ্যৰ বাবে চাইবাৰ ক্ৰাইম শাখালৈ হস্তান্তৰিত কৰা হৈছে।

ইফালে লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচনী বিভাগসমূহ সষ্টম হৈ থকাৰ সময়তে আজি চিৰাং জিলাৰ ৰুণীখাটাত ৩খন অবৈধ ভূটানী মদৰ কণ্টেইনাৰ জব্দ কৰা হয়। গোপন তথ্যৰ ভিত্তিত বঙাইগাঁও আবকাৰী বিভাগৰ উদ্যোগত আৰু চিৰাং-কোকৰাঝাৰ আবকাৰী বিভাগৰ সহযোগত চলোৱা অভিযানত প্ৰায় ২ কোটি ৭০ লাখ টকা মূল্যৰ সুৰা জব্দ কৰা হয়। উল্লেখযোগ্য সুৰা সৰবৰাহ কৰা বাহন তিনিখনে নিৰ্বাচনী বিধি উলংঘা কৰি চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ পৰা আমদানি কৰা হৈছিল।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ, দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত